৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

# অসম আদিত্য

কাতি, ১৯৪৭ শক ■ দেওবাৰ, ২ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, November 2, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

কৰ্মচাৰীসকলে ৩ নৱেম্বৰৰ পৰা তিনিদিনীয়া কৰ্মবিৰতিৰ আহ্বান জনাইছে। ফলত অচল হৈ ৮ পৃষ্ঠাত

## কৃষি বিশ্ববিদ্যালয়ৰ আমাৰ গাঁও, আমাৰ গৌৰৱ আঁচনি



বিতৰ্কিত মন্তব্য কৰা দুলু আহমেদৰ বিৰুদ্ধে ডিব্ৰুগড় সদৰ থানাত বিশ্ব হিন্দু পৰিষদৰ এজাহাৰ

## কানৈত শব্দ নিৰাময় যোগভ্যাস

স্টাফ ৰিপ'ৰ্টাৰ, ১ নৱেম্বৰ ঃ সাম্প্ৰতিক সময়ত শব্দ নিৰাময় যোগভ্যাস (শব্দৰ দ্বাৰা ৮ পৃষ্ঠাত

## ...ৰেণ্যঃ' গ্ৰহণ কৰি আৱেগিক হৈ...

## ...থিয় দিব লাগিব ঃ নগেন...

৩ পৃষ্ঠাত ... ৪ পৃষ্ঠাত


# অসম আদিত্য

৫ কাতি, ১৯৪৭ শক ■ দেওবাৰ, ২ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, November 2, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


অৰ্থ সহায়ৰ আহ্বান জনাইছে। দাখাদলে চিকিৎসা কৰি কৰি যেতিয়া দুখ আৰু হতাশাই আৱৰি ধৰা গোগামুখৰ এগৰাকী ব্যক্তি হৈছে জিতেন দলে। দুবছৰ পূৰ্বে এটা মটৰ দুৰ্ঘটনাত পতিত হৈ জিতেনৰ সোঁ হাতটি বিকল হৈ পৰিছিল। তেতিয়াৰে পৰা কেৱল চিকিৎসা আৰু চিকিৎসা। ডিব্ৰুগড়, লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু অৰুণাচলৰ 'ট্ৰিমচ' চিকিৎসালয়ত প্ৰায় বিশ মাহ ধৰি চিকিৎসা কৰিও সুফল পোৱা নাই তেওঁ দুৰ্ভগীয়া জিতেনে। সেয়ে এতিয়া উন্নত চিকিৎসাৰ বাবে মহাৰাষ্ট্ৰলৈ যোৱাৰ সিদ্ধান্ত লৈছে জিতেন দলেয়ে। চিকিৎসাৰ নামত নিজৰ সকলো মাটি সম্পত্তি বিক্ৰী কৰি সৰ্বস্বান্ত হোৱাৰ পিছত ঘৰৰ ভেঁটিটোৰ বাহিৰে এতিয়া সম্পত্তি বুলিবলৈ একোৱেই নাই জিতেন দলেৰ। সমান্তৰালকৈ, ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী জিতেন দলেৰ পৰিয়ালত দুখৰ ওপৰত দুখে দেখা দিছে। চিকিৎসাৰ ব্যয় বহন কৰিব নোৱাৰি নিৰৱে চকুলো টুকিছে পৰিয়ালটোৱে। কিন্তু তেওঁৰ এই যাত্ৰাত অৰ্থই হেঙাৰ হৈ থিয় দিছে। উন্নত চিকিৎসাৰ প্ৰয়োজন যদিও নিজাকৈ পুঁজি যোগাৰ কৰিবলৈ অক্ষম হোৱাত হৃদয়বান ৰাইজৰ লগতে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, স্থানীয় বিধায়ক তথা মন্ত্ৰী ৰণোজ পেগু, মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়াৰ পৰা সহায় বিচাৰি কাতৰ আহ্বান জনাইছে দুৰ্ভগীয়া জিতেন দলেয়ে। অৰ্থ সাহায্য দিব বিছৰা লোকক তলত দিয়া- SBI, A/C No. 20183853392, IFSC: SBIN0016934 আৰু ফোন যোগে কথা পাতিবলৈ- ৬০০১৬৫৭৮৪৮, ৭৮৯৬৫১৬৬৫০।

## উমছোৱাইৰ ভয়াৱহ পথ

কঢ়িয়াই নিছিল এএছ-০১ এলচি-৬৬৬৪ নম্বৰৰ বলেৰ' মেস্ক পিক-আপ বাহনখনে। মাত্ৰ তিনি কিল'মিটাৰ বাট অতিক্ৰমী নিজ গাঁও বৰমাৰজং আৰু উমছেত্ৰী পাবলৈ লওঁতেই উমছোৱাইৰ সাপ্তাহিক বজাৰৰ সমীপত বাহনখনে

## কানৈত শব্দ নিৰাময় যোগভ্যাস

চিকিৎসা) সমগ্ৰ বিশ্বতে জনপ্ৰিয় হৈ পৰিছে। প্ৰাচীন আৰু প্ৰাকৃতিক এই চিকিৎসা পদ্ধতি শব্দ, সংগীত, যন্ত্ৰ বা সুনিৰ্দিষ্ট কম্পনৰ সহায়ত দেহ, মন আৰু আত্মাৰ সমন্বয় ঘটাই শৰীৰ সন্তুলন কৰি ৰখা হয়। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই শব্দ নিৰাময় যোগভ্যাস কৰ্মশালা উদ্বোধন কৰি ইয়াৰ উপকাৰিতা সম্পৰ্কত এইদৰে কয়। অধ্যক্ষগৰাকীয়ে আজি পুৱা ৫.৩০ বজাতে মহাবিদ্যালয় চৌহদত অনুষ্ঠিত হোৱা এক কৰ্মশালাত কয় যে শব্দৰ নিৰাময় যোগভ্যাসৰ যোগেদি মানসিক শান্তি, মানসিক চাপ আৰু উত্তেজনা হ্ৰাস, উৎকৃষ্ট নিদ্ৰা, মনোযোগ আৰু স্মৃতি শক্তি বৃদ্ধি, শৰীৰৰ শক্তিৰ সমতুল্য, দুখ আৰু যন্ত্ৰণা হ্ৰাস, আত্মিক উন্নতি সাধন কৰি ৰক্ত চাপৰ গতি নিয়ন্ত্ৰণ কৰে। আগন্তুক পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষাৰ্থীসকলৰ মন সুস্থিৰ আৰু সজীৱ হ'বলৈ পোন প্ৰথমবাৰৰ বাবে শব্দৰদ্বাৰা চিকিৎসা কৰ্মশালা আয়োজন কৰা হয়। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ যোগ আৰু ধ্যান কেন্দ্ৰ, সংস্কৃত বিভাগ আৰু ৰুক্মিণীদেৱী কানৈ ছাত্ৰীনিৱাসৰ যুটীয়া উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত শব্দ নিৰাময় যোগভ্যাসৰ প্ৰশিক্ষণ প্ৰদান কৰি যোগ গুৰু নিৰ্মল কুমাৰ কয়— এক মন-নিৰাময় প্ৰক্ৰিয়া যাৰ জৰিয়তে আমাৰ মন আৰু শৰীৰ দুয়োটাই উন্নতি আৰু শিথিলতা অনুভৱ কৰে। লগতে তেওঁ এই শব্দ নিৰাময় যোগভ্যাসৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সুখী আৰু শান্তিপূৰ্ণ মনেৰে কাম কৰাৰ লগতে অধ্যয়নত মনোযোগ দিয়াত সুবিধা হয় বুলি মত প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক মানসিকভাৱে শক্তিশালী আৰু শান্ত হৈ থাকিবলৈ, বিশেষকৈ পৰীক্ষাৰ সময়ছোৱাত সহায় কৰিব পৰাকৈ এই অনুষ্ঠান আয়োজন কৰা হয়।

## গ্ৰহণ কৰি আবেগিক হৈ

দিব লাগিব ঃ নগে

## থাকিব

